Total No. of Printed Pages—3

**5 SEM FYUGP ASMC5C**

**2025**

( November )

ASSAMESE

( Core )

Paper : ASMC5C

[ সাহিত্য তত্ত্ব আৰু সমালোচনা (প্ৰাচ্য) ]

*Full Marks* : 60

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) ৰীতিবাদৰ প্ৰধান আচাৰ্যগৰাকীৰ নাম কি?

(খ) "শব্দাৰ্থৌ সহিতৌ কাব্যম্"—এই উক্তিষাৰ কোনে কৈছিল?

(গ) 'নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য' গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

(ঘ) শব্দশক্তি বুলিলে কি বুজাঁ?

(ঙ) কবিতাত সদৃশ ব্যঞ্জন বৰ্ণ ওচৰা-উচৰিকৈ পুনৰাবৃত্তি হ'লে কি অলংকাৰ হয়?

(চ) বক্ৰোক্তিবাদৰ প্ৰধান প্ৰবক্তা বুলি কাক আখ্যা দিয়া হয়?

(ছ) 'ধ্বন্যালোক'ৰ ৰচক কোন?

(জ) "ন হি ৰসাদৃতে কশ্চিদৰ্থঃ প্ৰৱৰ্ততে"—এই উক্তিষাৰ কোনে আগবঢ়াইছিল?

২। (ক) কাব্যৰ স্বৰূপ নিৰ্ণয় কৰি ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা। ৬+৬=১২

*অথবা*

(খ) প্ৰাচ্য আলংকাৰিকৰ মতৰ আধাৰত কাব্যৰ সংজ্ঞা নিৰ্ণয় কৰি ইয়াৰ লক্ষণসমূহ আলোচনা কৰা। ১২

৩। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৪×২=৮

(ক) কাব্যৰ ৰীতি

(খ) শ্ৰীশঙ্কুকৰ অনুমিতিবাদ

(গ) অৰ্থান্তৰন্যাস

(ঘ) ঔচিত্য

৪। (ক) শব্দশক্তি কেইপ্ৰকাৰৰ আৰু কি কি? শব্দৰ ব্যঞ্জনা-শক্তিৰ বিষয়ে উদাহৰণসহ আলোচনা আগবঢ়োৱা। ৩+৭=১০

*অথবা*

(খ) শব্দৰ লক্ষণাশক্তি বুলিলে কি বুজা? অসমীয়া কবিতাৰ পৰা উদাহৰণ দি আলোচনা কৰা। ২+৮=১০





৫। (ক) কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা কি কি? শব্দালংকাৰৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা। ৪+৮=১২

*অথবা*

(খ) "কাব্যস্যাত্মা ধ্বনি"—এই উক্তিৰ আধাৰত ধ্বনিবাদ সম্পৰ্কে এটি আলোচনা দাঙি ধৰা। ১২

৬। (ক) ভৰতৰ ৰসনিষ্পত্তিৰ সূত্ৰটো আলোচনা কৰা। ১০

*অথবা*

(খ) 'বক্ৰোক্তিবাদ'ৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱা।

★★★